No. of Printed Pages : 4

**FAS-01**

**BDP / BCA / BTS**

**Term-End Examination**

00505

**December, 2016**

## FAS-01 : FOUNDATION COURSE IN ASSAMESE

*Time : 2 hours* *Maximum Marks : 50*

*প্ৰশ্নবোৰ পঢ়ি উত্তৰ লিখক ।*

### ক – শাখা

1. তলৰ প্ৰশ্নবোৰৰ শুদ্ধ বিকল্পত শুদ্ধ চিন (√) দিয়ক : *5×1=5*

   (a) কোন যুগত চৰিত-পুথি ৰচনা কৰা হৈছিল ?

      (i) আদি যুগত

      (ii) আধুনিক যুগত

      (iii) মধ্য যুগত

   (b) অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ কোনে ৰচনা কৰে ?

      (i) উইলিয়াম ৰবিন্সনে

      (ii) ড. মাইলছ ব্ৰন্সনে

      (iii) হেমচন্দ্ৰ বৰুৱাই

(c) চামুৰাইৰ পূৰ্বপুৰুষসকল ক'ৰ আছিল ?

(i) কপিলী পাৰৰ

(ii) বিপাশা নদীৰ পাৰৰ

(iii) গঙ্গাৰ পাৰৰ

(d) ভাৰতৰ পূৰ্ণ স্বাধীনতা কেতিয়া দাবী কৰা হয় ?

(i) 1907 চনৰ চুৰাট অধিবেশনত

(ii) 1942 চনৰ বোম্বে অধিবেশনত

(iii) 1929 চনৰ লাহোৰ অধিবেশনত

(e) ৰাষ্ট্ৰৰ শাসনৰ চৰম ক্ষমতাৰ অধিকাৰী কোন ?

(i) জনসাধাৰণ

(ii) শাসকসকল

(iii) বিচাৰকসকল

**2.** সম্পূৰ্ণ বাক্যত উত্তৰ দিয়ক : *5×1=5*

(a) কেনে ধৰণৰ আহাৰে কেঞ্চাৰৰ প্ৰতিষেধক হিচাপে কাম কৰে ?

(b) ষড় দৰ্শনৰ বিকল্প নাম কি ?

(c) অজন্তাৰ গুহাবিলাক কোন চনত আৱিস্কাৰ হৈছিল ?

(d) ক'ত তেলেগু গঙ্গা প্ৰবাহিত হয় ?

(e) কোনে সত্ৰীয়া চিত্ৰকলাৰ জন্ম দিছিল ?

3. যিকোনো ***পাঁচটাৰ*** সংক্ষেপে উত্তৰ দিয়ক : *5×2=10*

(a) চৰিত সাহিত্য কি ?

(b) হুচৰি আৰু বিহুগীতৰ পাৰ্থক্য কি ?

(c) সূৰ্যমন্দিৰ ক'ত আৰু তাৰ বৈশিষ্ট্য কি ?

(d) সুভাষ চন্দ্ৰ বোসে আজাদ হিন্দ ফৌজ কিয় গঠন কৰিছিল ?

(e) জৈন দৰ্শনৰ মূল সিদ্ধান্তবোৰ কি ?

(f) অসমৰ সম্প্ৰীতি ৰক্ষাৰ কাৰণে মহাত্মা গান্ধীৰ ভূমিকা কেনে ধৰণৰ আছিল ? তেওঁ সফল হৈছিলনে ?

(g) মিছনেৰীসকলে উচ্চাৰণ অনুযায়ী আখৰজোঁটনি গঢ়ি তুলিবলৈ কেনে প্ৰচেষ্টা কৰিছিল ?

(h) জমাবন্দী কি ? ইয়াত কি লিখা থাকে ?

4. তলৰ কবিতা-ফাঁকি ব্যাখ্যা কৰক : *5*

লাজে মুখ বস্ত্ৰে ঢাকি বোলে শুনা প্ৰাণসখী
　　মোৰ প্ৰাণনাথ এইজন ।
দেখা কেন মূৰ্তিমন্ত ভুৱন মোহন কান্ত
　　কেনে নাৰী ধৰিবেক মন ।।

**অথবা**

কেতিয়াবা ক'ৰবাত আকৌ কোনোবা আহি দুৱাৰত কৰিলে আঘাত
মোক তুমি কৰিবা স্মৰণ মই যে জীয়াই আছোঁ
দান কৰি ৰাখিছোঁ জীৱন দেশ আৰু জাতিৰ নামত
ৰজাৰ পোৱালি মই বাস কৰোঁ কপিলী পাৰত ।

## খ – শাখা

5. অসমীয়াত পদ কেই প্ৰকাৰৰ আৰু কি কি ? প্ৰত্যেকৰে উদাহৰণ দিয়ক । 5

**অথবা**

বিশেষণ আৰু ক্ৰিয়া-বিশেষণৰ মাজত প্ৰভেদ কি ? উদাহৰণেৰে বুজাই লিখক ।

6. তলৰ যিকোনো ***পাঁচটা*** খণ্ডবাক্যৰে বাক্য ৰচনা কৰক : 5

মুখাফুটা, সোণৰ চামুচ মুখত লৈ, যি মূলা বাঢ়ে তাৰ দুপতীয়াতে চিন, ভূয়সী, ভৰপক, টনা-আজোৰা, ইহলীলা সম্বৰণ ।

7. যিকোনো ***দুটাৰ*** চমুটোকা লিখক : 5

চৰ্যাপদ, বেঙ্ক জাতীয় কৰণ, পোঙ্গল, অনন্ত কন্দলি, কবি ড. মহেন্দ্ৰ বৰা ।

8. ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এক চমু বিৱৰণ দাঙি ধৰক । 10

**অথবা**

মানৱ সভ্যতাৰ কাৰণে কম্পিউটাৰৰ প্ৰয়োজনীয়তাৰ বিষয়ে এখন চমুকৈ ৰচনা লিখক ।